# স্বাভিমানত সংকট

## সন্তোষ বৰঠাকুৰ

অহংকাৰ, গৰ্ব, ওফোন্দ, গপ, ৰোহ, ঠেহ, পেঁচ, আত্মমৰ্যাদাবোধ, অপমানবোধ আদিবোৰ অভিমানৰ সমাৰ্থক শব্দ। স্ব অভিমানেই স্বাভিমান। আত্মাভিমান। স্বাভিমান ব্যক্তিগত, সমূহীয়া দুয়োটাই হ'ব পাৰে। যেনে—'অসমীয়াৰ স্বাভিমানত আঘাত কৰা কাৰ্য সহ্য কৰা নহ'ব।' নিঃসন্দেহে অসমীয়া এটা স্বাভিমান থকা জাতি। এইটোও ঠিক, গাৰ জোৰেৰে শব্দটোৰ ওজন বঢ়াব নোৱাৰি। স্বাভিমান ৰক্ষা কৰিবলৈ হ'লে পৰিশ্ৰমী হ'ব লাগিব। নহ'লে ই আত্মতৃপ্তি পোৱা এটা শব্দহে হ'ব।

অসমীয়া জাতি আলস্যপ্ৰিয় বুলি এটা অপবাদ আছে। সাৰুৱা মাটিত কম আয়াসতে জীৱন নিৰ্বাহৰ উপাদান সংগ্ৰহৰ সামৰ্থ্যই আলস্য বৃদ্ধি কৰিছিল যেন লাগে। অস্কাৰ ফ্লেকছে 'অসম ১৮৬৪'ত ঊনৈছ শতিকাৰ অসমত চাহ খেতিয়কৰ জীৱন আৰু সমসাময়িক অসমীয়া সমাজৰ সম্পৰ্কে আলোচনা কৰোঁতে অসমৰ এটা অঞ্চলৰ ছবি এনেদৰে আঁকিছে—"চাৰিওপিনে সেউজীয়া ঐশ্বৰ্য-বিভূতি। অন্তহীন চাহ গছৰ শাৰী, ওখ ওখ কঁহুৱা বন, মাজে মাজে জংগল, বনৰীয়া গছ-বনেৰে ভৰা হোলাবোৰ বেলিৰ পোহৰত উজলি আছে। ইয়াৰ আগেয়ে মই অসমৰ দৰে উৰ্বৰা ঠাই ভাৰতৰ ক'তো দেখা নাই।" (চেলিম এম আলীৰ অনুবাদ, পৃষ্ঠা-৩২)। তেওঁ কয়লাৰ খনি, নদীৰ বালিৰ পৰা সোণ সংগ্ৰহ, ধান খেতি, কপাহ আৰু ধঁপাতৰ খেতি, পাট-মুগাৰ খেতি, চাহ খেতি ইত্যাদিত অসমৰ চহকী অৱস্থাৰ কথা উল্লেখ কৰিছে। প্ৰসংগক্ৰমে তেৰেঁই লিখিছে—"এলাহ আৰু খং এই দুয়োটাই হ'ল তেওঁলোকৰ প্ৰধান পৰিচয়।" আব্দুল মালিকেও 'মই অসমীয়া' কবিতাত মোগলৰ বিৰুদ্ধে যুঁজা অসমীয়াৰ বীৰত্বৰ লগতে নিষ্কৰ্মা ধোদৰ দৰে ৰাজআলি বন্ধাৰ কথাও উনুকিয়াইছে। সময়ে দুৰ্নাম কিছু কিছু আঁতৰালেও আৰামপ্ৰিয় স্বভাৱটো পুৰা সলাব পৰাটো নিচেই উজু কথা নহয়। প্ৰাকস্বাধীনতাৰ কালত চহৰ অঞ্চলত থকা মাটি-ভেটি অনা-অসমীয়াক পানীৰ দৰত বেচি মাছ-পুঠি খোৱাৰ মানসেৰে গ্ৰাম্যাঞ্চলত থিতাপি লোৱা অনেক অসমীয়া লোকৰ কাহিনী সাধুকথাৰ দৰে শুনিবলৈ পোৱা যায়। জাতিটোৰ এনেবোৰ দুৰ্বলতা আনৰ নিশ্চয় চকুত পৰিছিল। বিশেষকৈ শিক্ষিত ডেকাচামৰ চাকৰিমুখী দৃষ্টিভংগী, আত্মমৰ্যাদাৰ প্ৰতি অনৰ্থক মাত্ৰাধিক সচেতনতা আৰু কিছুমান নেতিবাচক কাৰকে সুযোগ-সন্ধানীসকলক অসমলৈ আহিবলৈ দলিচা পাৰি দিছিল। একবিংশ শতিকাত শুভ চিন্তাৰ উদয় হৈছে যদিও আন ভাৰতীয় ব্যৱসায়ীসকলো দ্ৰুতগতিত ব্যৱসায়ৰ সম্প্ৰসাৰণত লাগিছে। ইফালে এচাম অসমীয়াৰ শ্ৰমবিমুখী মনোভাব, সহজলভ্য ধনৰ প্ৰতি আসক্তি, উৎসৱ-আন্দোলনক মাত্ৰাধিক গুৰুত্ব প্ৰদানে জাতিটোৰ ক্ষতি কৰিছে। এইটো অনস্বীকাৰ্য যে কুৰি শতিকাৰ আশীৰ দশকৰ বিদেশী বহিষ্কাৰৰ আন্দোলনটোৰ ঋণাত্মক প্ৰভাৱ জাতীয় জীৱনত বেছি পৰিল। এই দুৰ্বলতাৰ সুযোগ আনে ল'লে। প্ৰসংগতঃ উল্লেখযোগ্য যে জীৱিকাৰ সন্ধানত পৃথিৱীৰ বিভিন্ন দেশলৈ বাংলাদেশৰ মানুহৰ প্ৰব্ৰজন ঘটা দেখা যায়। তেওঁলোকৰ জীৱন-সংগ্ৰামৰ বৰ্ণময় ছবি অংকিত হৈছে ভাৰতীয় ভাষাৰ বিভিন্ন সাহিত্যত। কষ্টসহিষ্ণুতাৰে প্ৰতিকূল পৰিৱেশত যুঁজ দিব পৰাটো তেওঁলোকৰ বৈশিষ্ট্য। সুযোগ পালে আহিবই। বিপৰীতে পিতৃ-মাতৃৰ ধনেৰে কিনা দামী পোছাক পৰিধান কৰি, বাইকত সমদল উলিয়াই, বাটত টায়াৰ জ্বলাই, উচ্চস্বৰে শ্ল'গান দি বা প্ৰতিবাদ কৰি, টিভি চেনেলত বাক-বিতণ্ডা চলাই জাতিৰ অস্তিত্ব বচাব পৰাৰ সম্ভাৱনা কম। অৰ্থনৈতিক স্বাৱলম্বিতাই হ'ল জাতিৰ প্ৰগতিৰ হাথিয়াৰ।

অসমৰ এখন নগৰৰ ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰখনৰ তিনিটা ভাগ দেখা পোৱা গৈছিল। প্ৰথম ভাগত ঘাইকৈ অনা-অসমীয়াৰ আধিপত্য। কম্পিউটাৰ, ইনভাৰ্টাৰ, বেটাৰি, টাইলছ, মাৰ্বল, গ্ৰেনাইট, ম'বাইল, টিভি, ৰেফ্ৰিজাৰেটৰ, এ ছি, চছমা, গহনা, কাপোৰৰ ব্যৱসায়, ষ্টুডিঅ', শ্বপিংমল, ছাইকেলৰ দোকান, দৰবৰ পাইকাৰী বিক্ৰেতা, হাৰ্ডৱেৰ দোকান, কাঠৰ দোকান, ছেলুন, জোতাৰ দোকান, গুৰ, ফলমূল, চাহপাত, ৰেডিমে'ড দুৱাৰ, মটৰ-গাড়ীৰ টায়াৰ-টিউব, গ্লাছ, লেপ-তুলী, কাঠ-কয়লা, ঘৰ সজা সামগ্ৰী, পুৰণা বাতৰিকাকত-লোহা-টিং-প্লাষ্টিকৰ ব্যৱসায়, লণ্ড্ৰি, পেট্ৰল পাম্প, ধানকল, ঘেঁহু মিল, টায়াৰ-টিউবত হাৱা দিয়া দোকান, ফুটপাথৰ দাঁতিত কাপ-প্লেট, ৰেডিমে'ড কাপোৰ-কানিৰ ব্যৱসায়, বৰফ, ছানা, ভজা বাদাম, ফুচকা, পুৰণা লোহা-লক্কৰ, ঠেলা-ছাইকেল-মপেডত লৈ ফুৰা 'হৰেক মাল', মুৰি, মছলাৰ ব্যৱসায়, ঠেলাৱালা, চৰ্মকাৰ, মজিয়াত টাইলছ-মাৰ্বল-গ্ৰেনাইট লগোৱা, দুৱাৰ-খিৰিকীৰ ডিজাইন, ফটো ফ্ৰেম ইত্যাদিত এই আধিপত্য লক্ষ্যণীয়। ঠেলাৱালা আৰু ব্যৱসায়ীৰ গুদামৰ পৰা পিঠিত চাউল-ছিমেণ্টৰ বস্তা কঢ়িওৱাসকল এটা বিশেষ ভাৰতীয় সম্প্ৰদায়ৰ।

দ্বিতীয় ভাগত অসমীয়া, অনা-অসমীয়া উভয়েই জড়িত যদিও নিৰ্ভৰযোগ্যতাৰ প্ৰশ্নত অসমীয়া পাছত। ফাষ্টফুড, কেটাৰিং, টেইলৰিং, ক্ৰীড়া সামগ্ৰী, চাদৰ-মেখেলা, গামোচা, বুক বাইণ্ডিং, মটৰ ছাইকেল মেৰামতি আৰু বিক্ৰী, ম'বাইল মেৰামতি, হোটেল, ফাৰ্নিচাৰ, সুৰাৰ দোকান, গেৰেজ, বেকাৰি, ফাৰ্মেছি, ছপাশাল, ছিডিৰ ব্যৱসায়, গাখীৰ, ইটা-বালিৰ যোগান, শাক-পাচলিৰ পাইকাৰী ব্যৱসায়, ইত্যাদিত উভয়েই জড়িত। অসমীয়া ৰিক্সাচালকৰ সংখ্যা পূৰ্বতকৈ বৃদ্ধি পোৱাটো লক্ষ্যণীয়। ফ্লেটৰ ব্যৱসায়তো উভয়েই জড়িত হৈছে।

তামোল-পাণ, শাক-পাচলি, মাছ-মাংস, সাৰৰ ব্যৱসায়, কিতাপৰ দোকান, জেৰক্স, ডিটিপি, গাড়ী ছাৰ্ভিছিং, নাৰ্ছাৰি, যাত্ৰীবাহী বাছ, ট্ৰেভেলাৰ, টেম্প', গাড়ীৰে গৃহ নিৰ্মাণৰ সামগ্ৰীৰ ভাৰা মৰা আদিত অসমীয়া লোক জড়িত হোৱাটো ভাল লক্ষণ।

অসমৰ এখন নগৰৰ এটা পথৰ প্ৰায় দুশ মিটাৰ দূৰত্বৰ ভিতৰত বাটৰ দুয়োকাষে থকা দোকান কিছুমানৰ নামবোৰ এনেকুৱা—হোটেল ৰাম ভৰোচ, শাকম্বৰী এণ্টাৰপ্ৰাইজ, ভোলাৰাম সুৰেন্দ্ৰকুমাৰ কুণ্ডলিয়া, গুৰু গোবিন্দ মাধৱ চন্দ্ৰ দাস, সাগৰ ৰাইনো বেটাৰি, নেতাজী, কুণ্ডলিয়া টুৰছ এণ্ড ট্ৰেভেলছ, ৰামেশ্বৰলাল শংকৰলাল, শ্যাম আৰ্ট, ছগনলাল শংকৰলাল, অৰ্জুনলাল ভটমল, সীতাৰাম ৰামেশ্বৰ লাল, সুৰজমল ৰামবিলাস, সত্যনাৰায়ণ গৌৰীশংকৰ, ৰুক্মিণী এণ্টাৰপ্ৰাইজ, সেৱাৰগী ট্ৰেডাৰ্ছ, ৰামদেৱ এণ্টাৰপ্ৰাইজ, গিনোৰিয়া ষ্টৰ্ছ, ম'ৰ এণ্টাৰপ্ৰাইজ, মুৰুলীধৰ ওমপ্ৰকাশ, শ্ৰীৰাম ষ্ট'ৰ, নৱলছন্দ ৰামৱিছন ইত্যাদি। এয়া নামবোৰৰ এটা অংশহে। অসমীয়া নাম ফলকত বৰ্ণাশুদ্ধিৰ দিশটো লক্ষ্যণীয়।

দেখা যায় চহৰৰ অধিকাংশ ব্যৱসায়-বাণিজ্য অনা-অসমীয়াৰ দখলত। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে গ্ৰাম্যাঞ্চলত মৃৎ শিল্প, কমাৰ শিল্প, ধান কল, ক্ষুদ্ৰ চাহ বাগিচা, বিয়াৰ পেণ্ডেল, গেলামালৰ ব্যৱসায়, চালি দি বাঁহৰ চাঙৰ ওপৰত কৰা শাক-পাচলিৰ বেপাৰ, ব্ৰইলাৰ ব্যৱসায়, পুৰা খবৰ কাগজৰ যোগান ইত্যাদিত অসমীয়া যুৱক জড়িত। দেওবৰীয়া হাট-বজাৰত শাক-পাচলিৰ বেপাৰ কৰা অধিকাংশ ব্যৱসায়ী অসমীয়া।

ভাৰতীয় মানুহৰ ভাৰতৰ যিকোনো ঠাইতে বেহা-বেপাৰ কৰাৰ অধিকাৰ আছে। আন্দোলনবোৰে বাহিৰৰ লোকক ভিতৰলৈ অহাৰ পথ সুগমহে কৰি দিছে। ইফালে নতুন প্ৰজন্মৰ এচামৰ ম'বাইল, সুৰাত অত্যাসক্তি লক্ষ্যণীয়। এসময়ত একোটা অঞ্চলত থকা সুৰাপায়ীজনক সকলোৱে চিনি পাইছিল। এতিয়া সেই দিন উকলিল। বিশ্বকৰ্মা পূজা, ৩১ ডিছেম্বৰ, মাঘ বিহুৰ উৰুকাৰ নিশা, বনভোজ আদিত সুৰালয়ত ক্ৰেতা বাঢ়ে। ঘৰুৱা উৎসৱ-পাৰ্বণকো সুৰাই স্পৰ্শ কৰিছে। অসমীয়াৰ স্বাভিমান এতিয়া মুখৰ শব্দহে, আনৰ সমীহ আদায় কৰিবলৈ অক্ষম। আমি বহিৰাগত বুলি ভবাসকলেই এতিয়া শ্ৰমৰ প্ৰতিযোগিতাত আমাতকৈ আগত।

ঠিকনা ঃ সৰুচৰাই আলি, পুলিবৰ, যোৰহাট-৭৮৫০০৬, ফোন ঃ ৯৪৩৫৫২৫২০০